Total No. of Printed Pages—4

**17 E—ENVE**

**2017**

# ENVIRONMENTAL EDUCATION

*Full Marks* : 40

*Time* : 1½ hours

*The figures in the margin indicate full marks for the questions*

**1.** Write very short answer of the following questions : 1×10=10

তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখা :

*(a)* Name two minor components of atmosphere.

বায়ুমণ্ডলৰ দুটা গৌণ উপাদানৰ নাম লিখা।

*(b)* What is a food chain in an ecosystem?

পৰিস্থিতিতন্ত্ৰৰ খাদ্য শৃঙ্খল কাক বোলে?

*(c)* Name two natural sources of air pollution.

বায়ু প্ৰদূষণৰ দুটা প্ৰাকৃতিক উৎসৰ নাম লিখা।

*(d)* Name two radioactive pollutants.

দুটা তেজস্ক্ৰিয় প্ৰদূষণকাৰীৰ নাম লিখা।

*(e)* Name the causal organism of typhoid.

টাইফয়ড ৰোগৰ কাৰক জীৱাণুটোৰ নাম লিখা।

(f) Mention an instance of man-made worst disaster in Assam.

মানুহৰ দ্বাৰা সংঘটিত অসমৰ এটা ভয়ানক দুৰ্যোগ উল্লেখ কৰা।

(g) Write the full form of NDRF.

NDRF ৰ পূৰ্ণ ৰূপটো লিখা।

(h) Since when was the 'National Road Safety Policy' adopted in India?

ভাৰতত কেতিয়াৰ পৰা 'নেচনেল ৰোড চেফ্‌টি পলিচি' প্ৰযোজ্য হৈছে?

(i) What does amber light in a traffic signal mean?

হালধীয়া ট্ৰেফিক সংকেতে কি সূচায়?

(j) What is zebra crossing?

জেব্ৰা ক্ৰচিং কাক বোলে?

**2.** Write short answer of the following questions (any *ten*) : 2×10=20

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা (যি কোনো দহটা) :

(a) Write a brief note on hydrosphere.

জলমণ্ডল সম্পৰ্কে এটি চমু টোকা লিখা।

(b) Mention the characteristics of artificial ecosystem.

কৃত্ৰিম পৰিস্থিতিতন্ত্ৰৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(c) Mention two conservation strategies of our country.

আমাৰ দেশৰ দুটা সংৰক্ষণ কৌশল উল্লেখ কৰা।

(d) State the non-commercial services offered by green plants.

সেউজীয়া উদ্ভিদসমূহৰ দ্বাৰা প্ৰদত্ত অবাণিজ্যিক সেৱাসমূহ উল্লেখ কৰা।

(e) What measures can be taken to keep drinking water sources clean and safe?

খোৱা পানীৰ উৎসসমূহ নিৰ্মল আৰু সুৰক্ষিত কৰি ৰাখিবলৈ কেনে ব্যৱস্থা ল'ব পাৰি ?

(f) Write two probable effects of noise pollution on human health.

মানৱ স্বাস্থ্যত শব্দ প্ৰদূষণৰ পৰা হ'ব পৰা দুটা সম্ভাব্য প্ৰভাৱৰ বিষয়ে লিখা ।

(g) Suggest any four steps which you can take as a student in Disaster Management.

এজন ছাত্ৰ হিচাবে দুৰ্যোগ ব্যৱস্থাপনাত ল'ব পৰা যি কোনো চাৰিটা পদক্ষেপৰ পৰামৰ্শ দৰ্শোৱা ।

(h) What 'Not to Do' during disaster?

দুৰ্যোগৰ সময়ত কি কৰা অনুচিত ?

(i) Mention about the measures to be taken before and after a disaster.

এটা দুৰ্যোগৰ আগত আৰু পাছত ল'বলগা ব্যৱস্থাসমূহ উল্লেখ কৰা ।

(j) Write the safety rules to be obeyed, while walking on the road.

ৰাস্তাত খোজকাঢ়োতে পালন কৰিবলগা নিৰাপত্তা বিধানসমূহ উল্লেখ কৰা ।

(k) What is meant by mandatory road signs? Name any four of the signs that fall under this category.

বাধ্যতামূলক পথচিহ্ন কি ? যি কোনো চাৰিটা এনে পথচিহ্নৰ নাম লিখা ।

*(l)* What is the purpose of wearing a seat belt in a vehicle?
বাহনৰ ভিতৰত চীট বেল্ট পৰিধান কৰাৰ উদ্দেশ্য কি?

*(m)* Why should helmet be worn by the biker and the rider?
দুচকীয়া বাহনৰ চালক আৰু আৰোহীয়ে কিয় শিৰস্ত্ৰাণ (হেল্‌মেট্) পৰিধান কৰা উচিত?

**3.** Answer any *two* of the following questions : 5×2=10
তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা :

*(a)* Write an account on need for environmental awareness.
পৰিবেশ সচেতনতাৰ আৱশ্যকতা সম্পৰ্কে এটি টোকা লিখা।

*(b)* What is energy conservation? What measures will you adopt for energy conservation?
শক্তি সংৰক্ষণ কাক বোলে? শক্তি সংৰক্ষণৰ বাবে তুমি কি ব্যৱস্থা গ্ৰহণ কৰিবা?

*(c)* What are the purposes and functions of 'Assam State Disaster Management Authority' (ASDMA)?
'অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ'ৰ (ASDMA) উদ্দেশ্য আৰু কৰ্তব্যসমূহ কি?

*(d)* What is a Driving Licence? Explain the rules for eligibility to have a driving licence.
বাহন চালকৰ অনুজ্ঞাপত্ৰ কি? চালকৰ অনুজ্ঞাপত্ৰ প্ৰাপ্তিৰ যোগ্যতাৰ বাবে থকা নিয়মসমূহ ব্যাখ্যা কৰা।

★★★

**17 E—ECON**

# 2017

## ECONOMICS

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

## PART—A / অংশ—ক

**( Statistics for Economics )**

( অৰ্থনীতিৰ বাবে পৰিসংখ্যা )

**1.** Answer the following as directed : 1×6=6

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

(a) What is meant by economic activity?

অৰ্থনৈতিক কাম-কাজ বুলিলে কি বুজা ?

(b) Data which are collected by the investigator for the first time are known as primary data.

( Write True or False )

অনুসন্ধানকাৰীয়ে প্ৰথমবাৰ সংগ্ৰহ কৰা তথ্যসমূহক প্ৰাথমিক তথ্য হিচাপে জনা যায়।

( শুদ্ধ নে অশুদ্ধ লিখা )

(c) Mention one source of secondary data.

গৌণ তথ্যৰ এটা উৎসৰ নাম উল্লেখ কৰা।

(d) Find out the mode of the following :

তলৰ তথ্যৰ পৰা বহুলক নিৰ্ণয় কৰা :

1, 2, 3, 4, 4, 5

(e) Largest item – Smallest item = ?

উচ্চতম সংখ্যা – নিম্নতম সংখ্যা = ?

(f) What is meant by statistical project?

পৰিসাংখ্যিক প্ৰকল্পই কি বুজায় ?

**2.** In what way is Statistics helpful in Economics? 2

পৰিসংখ্যাই কিদৰে অৰ্থবিদ্যাত সহায়ক হ'ব পাৰে ?

*Or / অথবা*

Mention two characteristics of Statistics. 2

পৰিসংখ্যাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা ।

**3.** Mention any two advantages of diagram in data presentation. 2

তথ্য উপস্থাপনত চিত্ৰৰ যি কোনো দুটা সুবিধা উল্লেখ কৰা ।

**4.** Find the median from the following data : 2

তলৰ তথ্যৰ সহায়ত মাধ্যিকী নিৰ্ণয় কৰা :

10, 6, 15, 2, 3

**5.** Mention two characteristics of an ideal average. 2

আদৰ্শ গড়ৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা ।

**6.** What do you mean by Lorenz curve? State one use of Lorenz curve. 1+1=2

ল'ৰেঞ্জ ৰেখা বুলিলে কি বুজা ? ল'ৰেঞ্জ ৰেখাৰ এটা ব্যৱহাৰ লিখা ।

**7.** What is mean deviation? Mention one merit of it. 1+1=2

গড় বিচলন কি ? ইয়াৰ এটা সুবিধা উল্লেখ কৰা ।

**8.** Distinguish between census method and sampling method of data collection. 4

পিয়ল পদ্ধতি আৰু নমুনা পদ্ধতিৰ মাজত থকা পাৰ্থক্যবোৰ লিখা ।

**9.** Represent the following data by a frequency distribution table : 4

তলৰ তথ্যখিনি বাৰংবাৰতা বিভাজন তালিকাৰ সহায়ত উপস্থাপন কৰা :

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| 16 | 25 | 10 | 19 | 37 | 45 | 26 | 24 | 46 | 09 |
| 29 | 33 | 32 | 13 | 26 | 46 | 36 | 25 | 17 | 39 |

*Or / অথবা*

Draw a histogram from the following : 4

তলৰ তথ্যখিনিৰ পৰা এটা স্তম্ভলেখ অংকন কৰা :

| *Wages* (in ₹)<br>মজুৰি (টকাত) | 0–10 | 10–20 | 20–30 | 30–40 | 40–50 | 50–60 | 60–70 |
|---|---|---|---|---|---|---|---|
| *No. of Workers*<br>শ্ৰমিক সংখ্যা | 4 | 10 | 14 | 22 | 32 | 15 | 3 |

**10.** What is scatter diagram? Draw a perfectly positive correlation with the help of a scatter diagram. 2+2=4

প্ৰকীৰ্ণ চিত্ৰ কি ? এটা প্ৰকীৰ্ণ চিত্ৰৰ সহায়ত সম্পূৰ্ণ যোগাত্মক সহসম্বন্ধ দেখুওৱা ।

*Or / অথবা*

With the help of the following data, calculate index numbers for 2014 taking 2013 as the base year : 4

2013 বৰ্ষক ভিত্তিবৰ্ষ হিচাপে লৈ তলৰ তথ্যখিনিৰ পৰা 2014 চনৰ বাবে সূচকাংক গঠন কৰা :

| *Commodity*<br>সামগ্ৰী | *Price in 2013* (₹)<br>দাম (টকাত) *2013* | *Price in 2014* (₹)<br>দাম (টকাত) *2014* |
|---|---|---|
| *A* | 90 | 130 |
| *B* | 145 | 200 |
| *C* | 100 | 145 |
| *D* | 180 | 275 |
| *E* | 85 | 150 |

**11.** Find out the mean from the following data : 4

তলৰ তথ্যখিনিৰ পৰা মাধ্য নিৰ্ণয় কৰা :

| | | | | | |
|---|---|---|---|---|---|
| *Marks* / *নম্বৰ* | : 0–20 | 20–40 | 40–60 | 60–80 | 80–100 |
| *No. of Students* / *ছাত্ৰ-ছাত্ৰীৰ সংখ্যা* | : 5 | 15 | 30 | 12 | 8 |

**12.** Mention the necessary steps for developing a project. 4

এটা প্ৰকল্প প্ৰস্তুতিৰ বাবে প্ৰয়োজনীয় পদক্ষেপসমূহ উল্লেখ কৰা।

**13.** What are the measures of central tendency? Why is arithmetic mean considered as ideal measure? Which measure of central tendency is the most representative? 2+3+1=6

কেন্দ্ৰীয় প্ৰবৃত্তিৰ জোখবোৰ কি কি? সমান্তৰ মধ্যক কিয় আদৰ্শ জোখ হিচাপে বিবেচিত হয়? কেন্দ্ৰীয় প্ৰবৃত্তিৰ জোখবোৰৰ কোনটো আটাইতকৈ প্ৰতিনিধিত্বমূলক?

*Or / অথবা*

Calculate the standard deviation from the following data : 6

তলত দিয়া তথ্যবোৰৰ পৰা মানক বিচলন গণনা কৰা :

| | | | | | |
|---|---|---|---|---|---|
| *Class Interval* / *শ্ৰেণী অন্তৰাল* | : 10–20 | 20–30 | 30–40 | 40–50 | 50–60 |
| *Frequency* / *বাৰংবাৰতা* | : 5 | 8 | 16 | 8 | 3 |

**14.** Find the correlation coefficient with the help of Karl Pearson's method from the data given below : 6

তলত দিয়া তথ্যবাজিৰ পৰা কাৰ্ল পিয়েৰচনৰ পদ্ধতিৰ সহায়ত সহসম্বন্ধ গুণাংক নিৰ্ণয় কৰা :

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| $X$ | : | 2 | 3 | 4 | 5 | 6 | 7 | 8 |
| $Y$ | : | 4 | 7 | 8 | 9 | 10 | 14 | 18 |

*Or / অথবা*

Explain the meaning of index number. Mention any four uses of index number. 2+4=6

সূচকাংকৰ অৰ্থ ব্যাখ্যা কৰা। সূচকাংকৰ যি কোনো চাৰিটা ব্যৱহাৰ উল্লেখ কৰা।

## PART—B / অংশ—খ

### ( Indian Economic Development )

### ( ভাৰতীয় অৰ্থনৈতিক উন্নয়ন )

**15.** Answer the following : 1×6=6

তলত দিয়াবোৰৰ উত্তৰ দিয়া :

*(a)* Mention one characteristic of Indian economy on the eve of independence.

প্ৰাক্-স্বাধীনতাৰ সময়ছোৱাত ভাৰতীয় অৰ্থনীতিৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

*(b)* Name the body which formulates economic plans in India.

ভাৰতবৰ্ষত অৰ্থনৈতিক পৰিকল্পনা প্ৰস্তুত কৰা সংস্থাটোৰ নাম লিখা।

*(c)* What do you mean by disguised unemployment?

ছদ্মবেশী নিবনুৱা বুলিলে কি বুজা?

(d) Define globalization.

গোলকীকৰণৰ সংজ্ঞা দিয়া।

(e) What is import substitution?

আমদানি বিকল্পীকৰণ কি?

(f) In which year did China launch the Great Leap Forward (GLF) campaign?

কোন চনত চীনৰ Great Leap Forward (GLF) অভিযান আৰম্ভ হৈছিল?

**16.** Mention any two benefits of Green Revolution. 2

সেউজ বিপ্লৱৰ যি কোনো দুটা সুবিধা উল্লেখ কৰা।

**17.** State two common goals (objectives) of planning in India. 2

ভাৰতবৰ্ষত পৰিকল্পনাৰ দুটা উমৈহতীয়া লক্ষ্য (উদ্দেশ্য) লিখা।

**18.** State two important causes for decay of Indian handicrafts during the British rule. 2

বৃটিছৰ শাসনকালত ভাৰতীয় হস্তশিল্পৰ পতনৰ দুটা গুৰুত্বপূৰ্ণ কাৰণ লিখা।

**19.** Give two arguments against privatization in the Indian context. 2

ভাৰতৰ প্ৰসঙ্গত ব্যক্তিগতকৰণৰ বিপক্ষে দুটা যুক্তি দিয়া।

**20.** Point out two indicators of human development of a country. 2

কোনো এখন দেশৰ মানৱ উন্নয়নৰ দুটা নিৰ্দেশক দেখুৱাই দিয়া।

**21.** What are the two types of poverty? 2

দুই প্ৰকাৰৰ দৰিদ্ৰতা কি কি?

**22.** Write down any four defects of agricultural marketing in India. 4

ভাৰতত কৃষি বিপণন ব্যৱস্থাৰ যি কোনো চাৰিটা ত্ৰুটি লিখা।

*Or / অথবা*

Mention any four non-institutional sources of rural credit in India. 4

ভাৰতত গ্ৰাম্য ঋণ যোগান ধৰা যি কোনো চাৰিটা অনানুষ্ঠানিক উৎস উল্লেখ কৰা।

**23.** What is environment? Mention three causes of environmental pollution. 1+3=4

পৰিৱেশ কি? পৰিৱেশ প্ৰদূষণৰ তিনিটা কাৰণ উল্লেখ কৰা।

*Or / অথবা*

What is sustainable development? Mention any three strategies for sustainable development. 1+3=4

বহনক্ষম উন্নয়ন কি? বহনক্ষম উন্নয়নৰ যি কোনো তিনিটা কৌশল উল্লেখ কৰা।

**24.** Mention four causes of unemployment in India. 4

ভাৰতত নিবনুৱাৰ চাৰিটা কাৰণ উল্লেখ কৰা।

**25.** What do you mean by human capital? Mention three sources of human capital. 1+3=4

মানৱ মূলধন বুলিলে কি বুজা? মানৱ মূলধনৰ তিনিটা উৎস উল্লেখ কৰা।

*Or / অথবা*

Write the meaning of infrastructure. What are the two types of infrastructure? 4

আন্তঃগাঁথনিৰ অৰ্থ লিখা। দুই প্ৰকাৰৰ আন্তঃগাঁথনি কি কি?

**26.** Mention four similarities of the economy of China, Pakistan and India. 4

চীন, পাকিস্তান আৰু ভাৰতবৰ্ষৰ অৰ্থনীতিৰ চাৰিটা সাদৃশ্য উল্লেখ কৰা।

**27.** Explain the various weaknesses of economic reform in India. 6

ভাৰতৰ অৰ্থনৈতিক সংস্কাৰৰ বিভিন্ন দুৰ্বলতাসমূহ ব্যাখ্যা কৰা।

*Or / অথবা*

Mention three merits and three demerits of globalization. 3+3=6

গোলকীকৰণৰ তিনিটা সুবিধা আৰু তিনিটা অসুবিধা উল্লেখ কৰা।

**28.** What is organic farming? Identify four benefits of organic farming. 2+4=6

জৈৱিক কৃষি পদ্ধতি কি? ইয়াৰ চাৰিটা সুফল চিনাক্ত কৰা।

*Or / অথবা*

Discuss the poverty alleviation programmes taken by the Indian Government. 6

ভাৰত চৰকাৰে গ্ৰহণ কৰা দৰিদ্ৰতা দূৰীকৰণ আঁচনিসমূহ আলোচনা কৰা।

★★★